# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-08-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - - - - - - - - -**

ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ৭৪ সংখ্যক মৃত্যু তিথিৰ সৈতে সংগতি ৰাখি আজি লোককল্যাণ দিৱসৰ আয়োজন কৰা হয়। ২০২২ বৰ্ষৰ পৰা অসম চৰকাৰে এই দিনটো লোককল্যাণ দিৱস হিচাপে পালন কৰি আহিছে। ইয়াৰ দ্বাৰা বৰদলৈৰ জীৱন, কৰ্মৰাজী, ৰাজনৈতিক দৰ্শন আৰু নেতৃত্ব দানৰ ক্ষমতাক আলোকপাত কৰি নৱপ্ৰজন্মক এই গুণসমূহ আহৰণ কৰাৰ আকৰ্ষিত কৰাৰ প্ৰয়াস কৰা হৈছে। কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ উদ্যোগত আজি পাণবজাৰৰ নেহৰু পাৰ্কত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত লোককল্যাণ দিৱস পালন কৰা হয়। মুখ্যমন্ত্ৰীয়ে বৰদলৈৰ প্ৰতিমূৰ্তিৰ মাল্যাৰ্পণ কৰি দিয়া ভাষণত নেতাগৰাকীৰ সপোনৰ অসমখনত বাস্তৱায়িত কৰিবলৈ সংকল্পবদ্ধ বুলি মন্তব্য কৰে। এই অনুষ্ঠানত পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াৰ উপৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইপিনে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি লোককল্যাণ দিৱস উপলক্ষে ৰাজহুৱা প্ৰশাসনৰ ক্ষেত্ৰত উৎকৃষ্ট সেৱা আগবঢ়োৱা ১৮ গৰাকী প্ৰশাসনিক বিষয়ালৈ মুখ্যমন্ত্ৰীৰ কৰ্মশ্ৰী বঁটা আৰু ১০ গৰাকী ৰাজ্যিক তথা ৩৭ গৰাকী জিলা পৰ্যায়ৰ অৰাজপত্ৰিত বিষয়ালৈ লোকসেৱা বঁটা আগবঢ়োৱা হয়। মুখ্যমন্ত্ৰীয়ে এই বঁটা প্ৰদান কৰি লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ আদৰ্শৰাজীৰে উদ্বুদ্ধ হ'বলৈ সকলোকে আহ্বান জনায়।

ৰাজ্যৰ বিভিন্ন জিলাত আজি লোককল্যাণ দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত আজি লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতি শ্ৰদ্ধা জনাই এই দিৱস পালন কৰা হয়। ইপিনে বৰপেটা জিলা প্ৰশাসনৰ উদ্যোগত আজি এই উপলক্ষে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন সভাৰ আয়োজন কৰা হয়। ধুবুৰী জিলাৰ আয়ুক্তৰ কাৰ্যালয়তো আজি লোককল্যাণ দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। অনুষ্ঠানত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। গোলাঘাট জিলাত আয়োজিত এই দিৱসৰ অনুষ্ঠানত জিলাৰ অতিৰিক্ত আয়ুক্তই বৰদলৈৰ জীৱন, আদৰ্শ তথা কৰ্ম জীৱনৰ বিষয়ে আলোকপাত কৰে। এই অনুষ্ঠানত গোলাঘাট জিলাৰ পৰা লোককল্যাণ বঁটা লাভ কৰিবলৈ সমৰ্থ হোৱা চাৰিগৰাকী ব্যক্তিক অভিনন্দন জ্ঞাপন কৰা হয়।

ooooo

প্ৰতিবেশী ৰাষ্ট্ৰ বাংলাদেশত ছাত্ৰ সংগঠনৰ প্ৰতিবাদী কাৰ্যসূচীক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা হিংসাত্মক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দেশখনৰ বিভিন্ন স্থানত অনিৰ্দিষ্টকালৰ বাবে সান্ধ্য আইন জাৰি কৰাৰ লগতে মোবাইল ইণ্টাৰনেট সেৱাও বন্ধ কৰা হৈছে। জানিব পৰা মতে প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই পদত্যাগ কৰি এখন সেনাৰ হেলিকপ্টাৰযোগে দেশ এৰি উৰা মাৰিছে। বাংলাদেশৰ সংবাদমাধ্যমত প্ৰকাশ পোৱা তথ্য অনুসৰি অসংখ্য প্ৰতিবাদকাৰীয়ে প্ৰধানমন্ত্ৰীগৰাকীৰ চৰকাৰী বাসভৱন, গণভৱন ঘেৰাও কৰি পেলোৱাৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীয়ে সুৰক্ষিত স্থান অভিমুখে ৰাওনা হৈছে। ইপিনে প্ৰধানমন্ত্ৰীৰ অনুপস্থিতিত সেনা বাহিনীৰ

কৰ্তৃত্বৰ অধীনলৈ যোৱাৰ সম্ভাৱনাই দেখা দিয়া দেশখনৰ জনসাধাৰণক টেলিভিছন যোগে দিয়া বাৰ্তাত বাংলাদেশৰ সেনাপ্ৰধান জেনেৰেল ৱাকাৰ উজ জামানে ধৈৰ্য সহকাৰে শান্তি আৰু সম্প্ৰীতি বজাই ৰাখিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে কালি দেশখনত প্ৰতিবাদকাৰী আৰু আৰক্ষীৰ মাজত লগা সংঘৰ্ষত কমেও ১০০ জন লোক নিহত হোৱাৰ লগতে সহস্ৰাধিক লোক আহত হৈছে। ছাত্ৰসকলে ১৯৭১ চনত পাকিস্তানৰ বিৰুদ্ধে বাংলাদেশৰ স্বাধীনতা যুদ্ধৰ সংগ্ৰামী সকলৰ পৰিয়াল বা আত্মীয়ৰ বাবে চৰকাৰী চাকৰিত ৩০ শতাংশ সংৰক্ষণৰ বিৰোধিতা কৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল। ইফালে বাংলাদেশৰ শেহতীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভাৰত-বাংলাদেশ সীমান্তত উচ্চ সতৰ্কতা জাৰি কৰা হৈছে। তদুপৰি সীমান্ত অঞ্চলত নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰাৰ লগতে অতিৰিক্ত বাহিনী মোতায়েন কৰা হৈছে। একেদৰে মুৰ্চিদাবাদৰ উন্মুক্ত সীমান্তত চোকা দৃষ্টি ৰখা হৈছে। পদ্মাৰ লগতে অন্যান্য নদী সীমান্তত বি এছ্ এফে চোকা পহৰা অব্যাহত ৰাখিছে।

ooooo

কামৰূপ জিলাৰ দদৰা-দলিবাৰী পছৰীয়া অঞ্চলত ১৬৬৯ চনত হোৱা আলাবৈ ৰণৰ স্মৃতিত আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আহোম আৰু মোগল সাম্ৰাজ্যৰ মাজত ১৬৬৭ চনত আৰম্ভ হোৱা তৃতীয়লানি যুদ্ধৰ ঐতিহাসিক অংশ হিচাপে পৰিগণিত এই ৰণৰ কিছুদিনৰ পাছতেই ১৬৭১ চনত বিখ্যাত শৰাইঘাটৰ যুদ্ধ হৈছিল। শৰাইঘাটৰ যুদ্ধৰ ঐতিহাসিক গুৰুত্বৰ সমানেই আলাবৈৰ ৰণেও অসমীয়া সেনাৰ সাহস আৰু বলিদানৰ কথাকে প্ৰতিয়মান কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই ৰণত প্ৰাণ আহুতি দিয়া ১০ হাজাৰ অসমীয়া সেনাৰ স্মৃতিত শ্ৰদ্ধা জ্ঞাপন কৰিছে। এটা বাৰ্তাত তেওঁ কয় যে, এই ৰণ আছিল মোগল সাম্ৰাজ্য সম্প্ৰসাৰণৰ যুঁজৰ বিপৰীতে অসমীয়াৰ জাতি ৰক্ষাৰ সংগ্ৰাম। ৰাজ্য চৰকাৰে অসম বুৰঞ্জীৰ প্ৰতিটো সোণালী পৃষ্ঠাত বিশ্বজুৰি প্ৰসাৰ কৰাৰ বাবে অহৰহ চেষ্টা চলাই যাব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও আজি এই ৰণৰ স্মৃতি দিৱস উপলক্ষে বীৰ সেনানীসকললৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছে।

ooooo

সমাপ্ত